# 2022

# ASSAMESE

## ( Regular Generic )

Paper : ASM-RG-5016

( শংকৰদেৱ )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) বৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতাগৰাকীৰ নাম কি?

(খ) ধৰ্ম-পন্থা হিচাপে মহাভাৰতৰ কোনটো খণ্ডত 'বৈষ্ণৱ' নামটো পোৱা যায়?

(গ) 'ভক্তি-ৰত্নাকৰ' গ্ৰন্থৰ ৰচক কোন?

(ঘ) অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ বিশ্বাসমতে শংকৰদেৱৰ জন্ম চনটো কি?

(ঙ) শংকৰদেৱৰ প্ৰথম কাব্যগ্ৰন্থখনৰ নাম কি?

(চ) 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটিৰ ৰাগ কি?

(ছ) 'ঈশ স্বৰূপে হৰি সব ঘটে বৈথহ'—ইয়াত 'ঘট' মানে কি?

(জ) 'ভটিমা' শব্দৰ অৰ্থ কি ?

(ঝ) সাৰংগপাণি কোন ?

(ঞ) 'গজেন্দ্ৰ উপাখ্যান' কাহিনীভাগ শংকৰদেৱে ক'ৰ পৰা গ্ৰহণ কৰিছে ?

(ট) শংকৰ-মাধৱৰ মিলনক 'মণিকাঞ্চন সংযোগ' বুলি কোনে কৈছিল ?

(ঠ) শংকৰদেৱৰ ভক্তিতত্ত্ব প্ৰকাশক এখন গ্ৰন্থৰ নাম লিখা।

(ড) 'গুণমালা' কি ছন্দত ৰচিত ?

(ঢ) শংকৰদেৱৰ শ্ৰেষ্ঠ নাটখনৰ নাম কি ?

(ণ) শংকৰদেৱৰ প্ৰথম বৰগীত কোনটো ?

(ত) বৰগীতক Holy Song বুলি কোনে কৈছিল ?

(থ) শংকৰদেৱৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ মূল কি ?

(দ) 'পাৰিজাত হৰণ' নাটত কিমানটা শ্লোক আছে ?

২। চমুকৈ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) বৰগীতৰ দুটি বৈশিষ্ট্য লিখা।

(খ) শংকৰদেৱৰ নাম-প্ৰসঙ্গ বিষয়ক দুখন গ্ৰন্থৰ নাম লিখা।

(গ) শংকৰদেৱৰ শেহৰ ৰচনা কি ? কাৰ অনুৰোধত মহাপুৰুষে এই সৃষ্টিকাৰ্য কৰিছিল ?

(ঘ) বৰগীত বুলিলে কি বুজা ?





(ঙ) যত জীৱ জংগম কীট পতংগম
অগ, নগ জগ তেৰি কায়া।

ইয়াত 'অগ' আৰু 'নগ' মানে কি ?

(চ) নৱবিধ ভক্তিৰ ভিতৰত কোন দুটাক সৰ্বাধিক মহত্ত্ব দিয়া হৈছে ?

(ছ) ত্ৰিকূট পৰ্বতৰ শৃংগত কি কি মূল্যবান ধাতু উভৈনদীকৈ পোৱা যায় ?

(জ) 'গজেন্দ্ৰ উপাখ্যান' অধ্যায়টি কোন দুবিধ ছন্দত ৰচিত ?

(ঝ) শ্ৰীকৃষ্ণৰ চতুৰ্ভুজ ৰূপৰ চাৰিওখন হাতত কি কি আছে ?

(ঞ) "হৰিশ্চন্দ্ৰ উপাখ্যানতে মহাপুৰুষজনাই পোনতে ভকতিৰ চাৰি খুঁটি মাৰে।" এই চাৰি খুঁটি কি কি ?

৩। তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা : ৫×৪=২০

(ক) শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মৰ বৈশিষ্ট্য সম্পৰ্কে লিখা।

(খ) শংকৰদেৱৰ 'উত্তৰাকাণ্ড ৰামায়ণ' সম্পৰ্কে লিখা।

(গ) 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঘ) শংকৰদেৱে ৰচনা কৰা ভটিমাৰ বিষয়ে এটি টোকা লিখা।

(ঙ) 'গজেন্দ্ৰ উপাখ্যান'ৰ কাহিনীভাগ চমুকৈ লিখা।

(চ) 'শিশু লীলা'ৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰা।

(ছ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত কি কি অলংকাৰৰ প্ৰয়োগ হৈছে, আলোচনা কৰা।

(জ) 'পাৰিজাত হৰণ' নাটৰ মূল সম্পৰ্কে লিখা।

৪। তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) শংকৰদেৱৰ পৰিচয় দি তেওঁৰ সাহিত্যকৃতি সম্পৰ্কে আলোচনা কৰা।

(খ) 'গজেন্দ্ৰ উপাখ্যান'ত অসমীয়া সমাজৰ চিত্ৰ কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(গ) 'শিশু লীলা খণ্ড'ৰ আধ্যাত্মিক তাৎপৰ্য বিচাৰ কৰা।

(ঘ) ৰজা হৰিশ্চন্দ্ৰৰ মাজেৰে সত্যবাদিতা আৰু ত্যাগৰ মহিমা তথা বিষ্ণুভক্তি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটৰ আধাৰত শ্ৰীকৃষ্ণ চৰিত্ৰটো বিশ্লেষণ কৰা।

(চ) 'অংকীয়া নাট'ৰ বৈশিষ্ট্য সম্পৰ্কে লিখা।

(ছ) 'সাৰংগপাণি' বৰগীতটোৰ এটি বিশ্লেষণমূলক আলোচনা যুগুত কৰা।

(জ) 'গজেন্দ্ৰ উপাখ্যান'ৰ আধ্যাত্মিক তাৎপৰ্য বিচাৰ কৰা।

(ঝ) 'পাৰিজাত হৰণ' নাটৰ ৰস বিচাৰ কৰা।

(ঞ) " 'কীৰ্ত্তন' মহাপুৰুষৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

★★★